# Telephonic conversation between Prime Minister and Prime Minister of Bangladesh

April 29, 2020

---

## ভাৰত আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 29, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বাংলাদেশৰ প্ৰধানমন্ত্ৰী মহামহিম শ্বেইখ হাছিনাৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

প্ৰধানমন্ত্ৰীয়ে নিজৰ আৰু ভাৰতৰ জনসাধাৰণৰ তৰফৰ পৰা বাংলাদেশৰ প্ৰধানমন্ত্ৰী আৰু বাংলাদেশৰ জনসাধাৰণক পবিত্ৰ ৰমজান মাহৰ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা আঞ্চলিক পৰিস্থিতিসমূহৰ বিষয়ে আলোচনা কৰে, আৰু ইয়াৰ প্ৰভাৱ হ্ৰাস কৰাৰ ক্ষেত্ৰত পৰম্পে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে সংক্ষেপে আলোচনা কৰে।

15 মাৰ্চত ছাৰ্ক ৰাষ্ট্ৰসমূহৰ মাজত হোৱা বিশেষ সিদ্ধান্তসমূহৰ বাস্তৱায়িত হোৱাক লৈ দুয়োগৰাকী নেতাই সন্তোষ প্ৰকাশ কৰে। ছাৰ্ক ক'ভিড-19 জৰুৰীকালীন পুঁজিলৈ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই আগবঢ়োৱা 1.5 মিলিয়ন আমেৰিকান ডলাৰৰ বৰঙনিৰ বাবে প্ৰধানমন্ত্ৰী মোডীয়ে তেখেতক ধন্যবাদ জ্ঞাপন কৰে।

ক'ভিড-19ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত অঞ্চলটোৰ লগতে বাংলাদেশলৈ চিকিত্সা সৰঞ্জাম আৰু সামৰ্থ নিৰ্মাণত প্ৰধানমন্ত্ৰী মোডীৰ সমন্বয় প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই তেখেতক ধন্যবাদ জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই পথ, ৰেল, জল পৰিবহন আৰু বিমানৰ জৰিয়তে সীমান্তৰ সিপাৰে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ নিৰবিচ্ছিন্নভাৱে যোগান ধৰা কাৰ্যত সন্তোষ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে ইতিহাস, সংস্কৃতি, ভাষা আৰু ভাতৃত্বৰ বন্ধুত্বৰ বন্ধনৰ কথা স্মৰণ কৰি দ্বিপাক্ষিক সম্পৰ্কৰ উত্তম অৱস্থাৰ প্ৰতি সন্তোষ প্ৰকাশ কৰে আৰু ক'ভিড-19ৰ সংক্ৰমণক ৰোধ কৰা আৰু মহামাৰীৰ ফলত স্বাস্থ্য আৰু অৰ্থনীতিত পৰা প্ৰভাৱক হ্ৰাস কৰাত সহায় কৰাৰ কাৰণে ভাৰত সদায়েই প্ৰস্তুত বুলি জানিব দিয়ে।

প্ৰধানমন্ত্ৰী মোডীয়ে ঐতিহাসিক মুজিব বৰ্চ'ৰ বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু বাংলাদেশৰ জনসাধাৰণক সুস্বাস্থ্য আৰু কল্যাণৰ কাৰণে শুভেচ্ছা জ্ঞাপন কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 29, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.